প্ৰথম পৃষ্ঠাৰ পৰা—

মহান বৃত্তিবিহীন সমাজ

দৃষ্টিৰে চাব লাগে বুলি ধাৰণা আগবঢ়োৱা হয়। দুয়োটা বিপৰীতধৰ্মী ধাৰণা নহয় জানো? মহান বৃত্তি, সন্মানীয় বৃত্তিৰ ধাৰণাটোৱে কিছুমান বৃত্তি মহান নহয়, সন্মানীয় নহয় বুলি আওপকীয়াকৈ এক ইংগিত বহন নকৰেনে? সামাজিক স্তৰীভূতকৰণৰে ই আন এক ৰূপ নহয় জানো ? যদি সকলো বৃত্তিৰ সমমৰ্যাদা, শ্ৰমৰ সমমৰ্যাদাৰ কথা কোৱা হয় তেনেস্থলত কিছুমান বৃত্তিক মহান, সন্মানীয় বৃত্তি বুলি অভিহিত কৰাৰ যুক্তিযুক্ততা থাকিব পাৰেনে? ৰিক্সাচালক, অটো চালক, হেণ্ডিমেন আদিক যে কেতিয়াবা যাত্ৰীসকলে দুৰ্ব্যৱহাৰ কৰে তাৰ বাবে অলপ হ'লেও বৃত্তি সংক্ৰান্তীয় এনে ধাৰণা জগৰীয়া নহয়নে? এনে উদাহৰণ আৰু আছে। আমাৰ বহুতৰে মজ্জাই মজ্জাই শিপাই থকা এনে ধাৰণাৰ প্ৰতিফলন হয়তো আমাৰ এনে কটু আচৰণত হয়।

আমি নিজকে প্ৰশ্ন কৰিব লাগে সন্মানীয় বা মহান বৃত্তিধাৰী হৈ এক মানসিক তৃপ্তি লাভ কৰি থাকিম নে সঁচা অৰ্থত সমমৰ্যাদাৰ এখন নতুন সমাজ গঢ়াৰ প্ৰয়াস কৰিম। এনে সমাজ য'ত ব্যক্তি এজনে নিঃসংকোচে ক'ব পাৰে তেওঁৰ বৃত্তি কি। য'ত সন্তানে পিতৃ-মাতৃৰ পেছাক লৈ হীনমন্যতাত ভুগিব লগা নহয়। পেছাগত বৈষম্যৰ বাবে প্ৰজন্মৰ পৰা প্ৰজন্মই ভুগি অহা হীনমন্যতাৰ প্ৰচণ্ড বোজা আমি লাঘৱ কৰিব লাগিব। মানসিক যাতনাৰ পৰা সকাহ দিব লাগিব। সকলো বৃত্তিৰ লোকে যাতে সমাজত মূৰ দাঙি, আত্মবিশ্বাসেৰে জীয়াই থাকিব পাৰে তেনে এক পৰি�ৱেশ সৃষ্টি কৰিব লাগিব। তাৰ বাবে সন্মানীয় বৃত্তি, মহান বৃত্তিৰ দৰে পুৰাতন ধাৰণাটো নোহোৱা কৰাটো একান্তই প্ৰয়োজন।

দেওঘৰত হাস্পতাল উদ্বোধন

স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। বাবা বৈদ্যনাথলৈ শ্ৰদ্ধা নিবেদন কৰি আৰম্ভ কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট আৰু পিডি হিন্দুজা হাস্পতাল এণ্ড মেডিকেল ৰিচাৰ্চ চেণ্টাৰৰ যৌথ উদ্যোগত দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতালখন আৰম্ভ কৰা হৈছে। ইয়াত পৰৱৰ্তী সময়ত মেডিকেল কলেজো নিৰ্মাণ কৰা হ'ব। তেওঁ কয় যে হাস্পতালখনে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক চিকিৎসা সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ঝাৰখণ্ডৰ দেওঘৰ আৰু গোড্ডাত হোৱা উন্নয়ন প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অঞ্চলটোত বিমানবন্দৰ, এইমছ, ৰে'ল পথ, ৰিং ৰোড সকলো হৈছে। সাংসদ নিশিকান্ত ডুবেৰ নেতৃত্বত গোড্ডা সমষ্টিত হোৱা উন্নয়নে সমগ্ৰ দেশৰ বাবে নজিৰ সৃষ্টি কৰিছে। বিকাশৰ এই ধাৰা অব্যাহত ৰাখি আজি সমষ্টিটোত আন এখন ডাঙৰ চিকিৎসালয় আৰম্ভ হৈছে। ২০০৬ চনৰ পৰা প্ৰায় ১৫ বছৰ কাল অসমৰ স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব পালনৰ অভিজ্ঞতাৰ ভিত্তিত ড° শৰ্মাই মন্তব্য কৰে যে এখন হাস্পতালৰ সফলতাৰ আঁৰত হাস্পতালখনৰ স্থাপত্যৱো গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আজি উদ্বোধন কৰা হাস্পতালখনৰ আই চি ইউ, কৰিডৰ, জৰুৰীকালীন ইউনিট, সাধাৰণ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সকলো সুবিধাত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে হাস্পতালখন সাধাৰণ মানুহৰ সুবিধাজনক হোৱাৰ কাৰণ হৈছে সাংসদ নিশিকান্ত ডুবে আৰু বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টৰ অধ্যক্ষা ড° অনামিকা গৌতমে যথেষ্ট চিন্তা-চৰ্চাৰে হাস্পতালখন নিৰ্মাণ কৰিছে। ট্ৰাষ্টৰ অধ্যক্ষা ড° গৌতমৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰীয়ে কয় যে বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টে নিৰ্মাণ কৰা হাস্পতালৰ উদ্দেশ্য লাভ অৰ্জন কৰা নহয়, জনসেৱাৰ বাবেহে তেওঁলোকে হাস্পতাল নিৰ্মাণ কৰে। সেয়ে তেওঁলোকে চিকিৎসা খণ্ডৰ পেছাদাৰী গোটৰ সৈতে অংশীদাৰিত্ব নকৰি দেশৰ বিভাজনৰ সময়ত পাকিস্তানৰ পৰা ভাৰতলৈ অহা শৰণাৰ্থীসকলক সহায় কৰাৰ বাবে মুম্বাইত প্ৰথমখন হাস্পতাল স্থাপন কৰা হিন্দুজা গ্ৰুপৰ দৰে সংস্থাৰ সহযোগিতাৰে হাস্পতালখন নিৰ্মাণ কৰিছে। সাংসদ নিশিকান্ত ডুবেৰ চিন্তা, ড° অনামিকা গৌতমৰ পৰিশ্ৰম আৰু হিন্দুজা গ্ৰুপৰ চিকিৎসা সক্ষমতাই হাস্পতালখনক জনসেৱাৰ এক বৃহৎ মন্দিৰলৈ পৰিণত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। দেওঘৰৰ এইমছ আৰু বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতালখন পৰস্পৰৰ পৰিপূৰক হ'ব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এখনে আনখনক শক্তি দিব আৰু ঝাৰখণ্ডবাসী, বিহাৰবাসী ৰাইজ উপকৃত হ'ব। তেওঁ কয় যে আগতে দেওঘৰ, গোড্ডাকে ধৰি ঝাৰখণ্ডৰ ৰাইজ ভাল চিকিৎসাৰ বাবে কলকাতালৈ যাবলগীয়া হৈছিল। কিন্তু লাহে লাহে অঞ্চলটোত সু-চিকিৎসাৰ এটা ভাল ভেটি নিৰ্মাণ হৈছে। ৰাইজ এতিয়া চিকিৎসাৰ বাবে দেওঘৰলৈ আহিবলৈ আৰম্ভ কৰিব আৰু আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰভূমি দেওঘৰ লাহে লাহে চিকিৎসা পৰ্যটনৰো কেন্দ্ৰবিন্দু হৈ পৰিব। দেশত স্বাস্থ্য আৰু চিকিৎসা শিক্ষাৰ পূৰ্বৰ আৰু বৰ্তমানৰ পৰিস্থিতিৰ তুলনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ সময়ত দেশত মেডিকেল কলেজৰ সংখ্যা আছিল ৩৮৭ খন। সম্প্ৰতি দেশত মেডিকেল কলেজৰ সংখ্যা ৮৪৬ খনলৈ বৃদ্ধি পালে। ২০১৪ চনলৈকে আমাৰ দেশত প্ৰতি বছৰে ৫১,৩৮৪ গৰাকী এমবিবিএছ চিকিৎসকৰ সৃষ্টি হৈছিল। বৰ্তমান দেশত প্ৰতি বছৰে ১,৩৯,৮৬৪ গৰাকী চিকিৎসক সৃষ্টি হয়। সম্প্ৰতি দেশত আজি ২২খন এইমছ প্ৰতিষ্ঠা হৈছে। ফলত চিকিৎসকৰ চাহিদা আৰু যোগানৰ মাজত আজি এটা পৰিৱৰ্তন আহিছে। অসমৰ চিকিৎসা শিক্ষা প্ৰসংগত তেওঁ কয় যে অসমত বিংশ শতিকাৰ পঞ্চাশৰ দশকত প্ৰথমখন মেডিকেল কলেজ স্থাপন হৈছিল। তাৰ পিছত ষাঠিৰ দশকত দ্বিতীয়খন আৰু সত্তৰৰ দশকত তৃতীয়খন মেডিকেল কলেজ স্থাপন হয়। চাৰে তিনি কোটি জনসংখ্যাৰ অসমত কেৱল তিনিখন মেডিকেল কলেজহে আছিল। প্ৰতি বছৰে ৩০০ গৰাকী চিকিৎসকৰ সৃষ্টি হৈছিল। চিকিৎসকৰ চাহিদা অনুপাতে যোগান পৰ্যাপ্ত নোহোৱাত অসমত ৰাইজে চিকিৎসা সেৱা পৰ্যাপ্তভাৱে লাভ কৰা নাছিল। বৰ্তমান অসমত মেডিকেল কলেজৰ সংখ্যা ১৬ খন হ'ল। অহা মাহত বঙাইগাঁও জিলাত মেডিকেল কলেজৰ শুভাৰম্ভ কৰা হ'ব। বৰ্তমান অসমত প্ৰতি বছৰে ২,২০০ গৰাকী চিকিৎসক সৃষ্টি হয়। অসমত এইমছ আৰু ইএছআইচি মেডিকেল কলেজৰ উপৰি ৩২ খন মেডিকেল কলেজ স্থাপনৰ সপোন থকা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০৩১ চনৰ ভিতৰত অসমত ৩০ খন মেডিকেল কলেজ হ'ব, ১৬ খন ইতিমধ্যে হৈছে আৰু এমবিবিএছ আসনৰ সংখ্যা ৪,০০০ খন হ'বগৈ। ইমান বৃহৎ সংখ্যক চিকিৎসক সংস্থাপিত কৰাৰ বাবে অসমৰ ৫ হাজাৰ উপ-স্বাস্থ্য কেন্দ্ৰত দুগৰাকীকৈ চিকিৎসক নিযুক্তি দিয়াৰ বাবে শেহতীয়া ৰাজ্যিক বাজেটত ঘোষণা কৰাৰ কথা তেওঁ উল্লেখ কৰে। অনুষ্ঠানত স্থানীয় সাংসদ নিশিকান্ত ডুবে, বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টৰ অধ্যক্ষা ড° অনামিকা গৌতম প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

অসমত মংগল পাণ্ডেক

নবীনে বুধবাৰে ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ বাবে নতুন প্ৰভাৰী আৰু সহ-প্ৰভাৰীৰ তালিকা ঘোষণা কৰে। নতুন তালিকা অনুসৰি, অসম বিজেপিৰ ৰাজ্যিক প্ৰভাৰীৰ দায়িত্ব প্ৰদান কৰা হৈছে মংগল পাণ্ডেক। তেওঁৰ সৈতে ফাংগ্লোন কন্যাক আৰু মনোজ টিগ্গাক সহ-প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে। এই নিযুক্তিৰ পিছত অসমৰ সাংগঠনিক কাম-কাজত বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই নতুন দায়িত্বশীল দল গঠন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুনকৈ দায়িত্ব লাভ কৰা তিনিওগৰাকী নেতাক সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীক ছত্তীশগড়ৰ লগতে হাৰিয়ানাৰ বিজেপি প্ৰভাৰী হিচাপে দায়িত্ব দিয়া হৈছে। ছত্তীশগড়ত তেওঁৰ সৈতে সিদ্ধাৰ্থ শম্ভুক সহ-প্ৰভাৰী আৰু হাৰিয়ানাত ভোলা সিঙক সহ-প্ৰভাৰীৰ দায়িত্ব দিয়া হৈছে। দিল্লী বিজেপিৰ প্ৰভাৰী হিচাপে বিনয় সহস্ৰবুদ্ধেক নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে জময়াং ছেৰিং নামগিয়াল আৰু দৰ্শনা জাৰ্দোছক সহ-প্ৰভাৰীৰ দায়িত্ব দিয়া হৈছে। উত্তৰ প্ৰদেশৰ দায়িত্ব লাভ কৰিছে বিনোদ তাওড়েই। তেওঁৰ সৈতে কেইবাগৰাকী সহ-প্ৰভাৰী নিযুক্তি দিয়া হৈছে। মধ্যপ্ৰদেশৰ প্ৰভাৰী হিচাপে ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱক নিযুক্তি দিয়া হৈছে আৰু ৰেখা বৰ্মাক সহ-প্ৰভাৰী কৰা হৈছে। মহাৰাষ্ট্ৰৰ প্ৰভাৰী হিচাপে বৈজয়ন্ত জয় পাণ্ডাক দায়িত্ব দিয়া হৈছে। তেওঁৰ সৈতে অমিত মালব্য, সদানন্দ শেট টানৰাডে আৰু কমলজিৎ শ্ৰেৱাৱটক সহ-প্ৰভাৰীৰ দায়িত্ব দিয়া হৈছে। পশ্চিমবংগ আৰু তেলেংগানাৰ দায়িত্ব সুনীল বাঞ্চালক দিয়া হৈছে। আনহাতে ৰাম মাধৱক উত্তৰাখণ্ড আৰু তামিলনাড়ুৰ দায়িত্ব দিয়া হৈছে। শেহতীয়া তালিকাত ছিক্কিমৰ প্ৰভাৰী হিচাপে ৰাজু বিষ্টা আৰু মেঘালয়ৰ প্ৰভাৰী হিচাপে কানাদ পুৰকায়স্থক নিযুক্তি দিয়া হৈছে। গুজৰাটৰ দায়িত্ব লাভ কৰিছে তৰুণ চুগে আৰু হিমাচল প্ৰদেশৰ প্ৰভাৰী কৰা হৈছে শ্ৰীকান্ত শৰ্মাক। পঞ্জাব আৰু জম্মু-কাশ্মীৰৰ দায়িত্ব সতীশ পুনিয়াক দিয়া হৈছে। ঝাৰখণ্ডৰ প্ৰভাৰী হিচাপে গজেন্দ্ৰ পেটেল, বিহাৰ আৰু কৰ্ণাটকৰ দায়িত্ব হৰিশ দ্বিবেদী, কেৰালাৰ দায়িত্ব এম নাগৰাজ আৰু অন্ধ্ৰপ্ৰদেশৰ দায়িত্ব অৰবিন্দ ভাদৰীয়াক দিয়া হৈছে। ইয়াৰ উপৰি ৰাজস্থানৰ প্ৰভাৰী হিচাপে সঞ্জয় ভাটিয়া, চণ্ডীগড়ৰ দায়িত্বত মহেন্দ্ৰ পাণ্ডে, নাগালেণ্ডৰ বাবে অনিল এণ্টনী আৰু মণিপুৰৰ বাবে ৰাজদীপ ৰয়ক দায়িত্ব দিয়া হৈছে। ওড়িশাৰ প্ৰভাৰী হিচাপে ডি পুৰন্দেশ্বৰী আৰু পুডুচেৰীৰ দায়িত্ব কে সুৰেন্দ্ৰনক দিয়া হৈছে। বিজেপিৰ এই সাংগঠনিক ৰদ-বদলৰ সময়ত কেইবাখনো ৰাজ্য আগন্তুক বিধানসভা নিৰ্বাচন আৰু দলীয় সাংগঠনিক প্ৰস্তুতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰ্যায়ত আছে। বিশেষকৈ নতুন প্ৰভাৰীসকলক দায়িত্ব দিয়াৰ জৰিয়তে সংশ্লিষ্ট ৰাজ্যসমূহত দলীয় সাংগঠনিক কাম-কাজ অধিক সক্ৰিয় কৰাৰ লক্ষ্য লোৱা হৈছে বুলি দলীয় সূত্ৰৰ উদ্ধৃতিৰে প্ৰকাশ পাইছে।

ওৰাঙৰ বেগেনাৰাৰীত দুই কোটি টকা মূল্যৰ ৪ কুইণ্টল, ৮ কেজি, ৬৩০ গ্ৰাম ভাঙৰ সৈতে এখন মালবাহী টম টম জব্দ

দৈনন্দিন বার্তাৰ সেৱা, ওদালগুৰি, ২৩ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলাৰ ওৰাং আৰক্ষীৰ বৃহৎ সফলতা। বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এক অভিযানত আৰক্ষীয়ে ২৩ ছেপ্টেম্বৰৰ আবেলি ২ বজাত ৪ কুই ণ্টল ৮ কেজি ৬৩০ গ্ৰাম সন্দেহযুক্ত ভাং জব্দ কৰিবলৈ সক্ষম হয়। ভাংখিনি মালবাহী টম টমৰ পৰা জব্দ কৰে। কিছু দূৰত্বত ওৰাং আৰক্ষীক দেখা পাই ভাং সৰবাহকাৰীয়ে পলায়ন কৰে। ওদালগুৰি জিলাৰ ওৰাং আৰক্ষীয়ে পুনৰ ড্ৰাগছ আৰু নিষিদ্ধ সামগ্ৰীৰ বিৰুদ্ধে অভিযানত লাভ কৰাৰ এক উল্লেখযোগ্য সফলতা। বিশেষ সূত্ৰৰ পম খেদি ওৰাং থানাৰ আৰক্ষী উপ-পৰিদৰ্শক জিতুমণি কলিতাৰ উদ্যোগত লেন্স নায়ক বিশ্বজিত সূত্ৰধাৰ, মণ্টু কলিতা, হোম গাৰ্ড মাণিক চন্দ্ৰ দে', ২৭নং এপিবিএনৰ লেন্স নায়ক প্ৰফুল্ল বসুমতাৰী, কনিষ্টবল মহানন্দ বড়োৱে কৰা এক বিশেষ অভিযানত আৰক্ষীয়ে ৪ কুই ণ্টল,৮ কেজি ৬৩০ গ্ৰাম সন্দেহযুক্ত ভাং জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা ভাংখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য দুই কোটি টকা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত ওদালগুৰি জিলাৰ উপ-আৰক্ষী অধীক্ষক দিশা শইকীয়া আৰু বৌতা আৰক্ষী চক্ৰ বিষয়া দেৱজিৎ বৰদলৈ উপস্থিতি হৈ বিষয়টো তদাৰক কৰে। ওৰাং থানাৰ গাঁওবক্ষী বাহিনীৰ সম্পাদক শিৰৰাম ডেকা, বেগেনাৰাৰী গাঁওবক্ষী বাহিনীৰ সম্পাদক অজিত দৈমাৰী, মহিলা গাঁওবক্ষী বাহিনীৰ সম্পাদিকা ৰীতা দেৱীয়ে সহায়-সহযোগিতা কৰে। ওৰাং আৰক্ষীৰ সফলতাত ওদালগুৰি জিলা সচেতন নাগৰিক সমিতি, ওদালগুৰি জিলা সাংবাদিক ন্যাস আৰু উন্নয়ন সংস্থা, ওৰাং সাংবাদিক সংস্থা আদিৰ লগতে ৰাইজে শলাগ লৈছে।

ড'নাৰ মন্ত্ৰণালয়ৰ পৰা বিচাৰি

বিভিন্ন দিশৰ বিষয়ে অৱগত কৰিব। দিনটোৰ প্ৰথমখন বৈঠক পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব। এই বৈঠকত 'শিশুৰ বিৰুদ্ধে অপৰাধ' বিষয়টো আলোচনা কৰা হ'ব। বিষয়টোৰ সৈতে জড়িত প্ৰযোজ্য আইন আৰু আইনী ব্যৱস্থাৰ সন্দৰ্ভত আইন আৰু ন্যায় মন্ত্ৰণালয়ৰ মতামত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পিছত দিনৰ ২ বজাৰ পৰা দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকৰ মূল বিষয় হ'ব 'উত্তৰ-পূবৰ ৰাজ্যসমূহত কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত আঁচনি ৰূপায়ণ'। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰণালয় বা ড'নাৰ মন্ত্ৰণালয়ৰ বিষয়াসকলে কেন্দ্ৰীয় আঁচনিসমূহৰ ৰূপায়ণ, অগ্ৰগতি আৰু সংশ্লিষ্ট বিষয়সমূহৰ ওপৰত সমিতিৰ সন্মুখত তথ্য দাঙি ধৰাৰ সম্ভাৱনা আছে। বৈঠক দুখনৰ বাবে ইতিমধ্যে কাৰ্যসূচী সম্পৰ্কীয় নথি সমিতিৰ সদস্যসকলৰ মাজত বিতৰণ কৰা হৈছে। ৰাজ্যসভা সচিবালয়ৰ তৰফৰ পৰাও সমিতিৰ সদস্যসকলক বৈঠকত উপস্থিত থাকিবলৈ জাননী দিয়া হৈছে। বিশেষকৈ উত্তৰ-পূবৰ ৰাজ্যসমূহত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ ৰূপায়ণৰ পৰ্যালোচনাৰ ক্ষেত্ৰত দ্বিতীয়খন বৈঠক গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। অঞ্চলটোৰ আন্তঃগাঁথনি, উন্নয়ন, কেন্দ্ৰীয় পৃষ্ঠপোষকতাত চলি থকা আঁচনি আৰু সেইবোৰৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে সমিতিয়ে সংশ্লিষ্ট মন্ত্ৰণালয়ৰ পৰা তথ্য লাভ কৰিব পাৰে। ৩১জনীয়া সংসদীয় স্থায়ী সমিতিখনৰ অধ্যক্ষ হৈছে ৰাজ্যসভাৰ বিজেপি সাংসদ ৰাধামোহন দাস আগৰৱালা। সমিতিখনত লোকসভাৰ ২১জন আৰু ৰাজ্যসভাৰ ১০জন সাংসদ সদস্য হিচাপে আছে। ৰাজ্যসভাৰ সদস্যসকলৰ ভিতৰত বিজেপিৰ সমীক ভট্টাচাৰ্য, নীৰজ শেখৰ আৰু তৰুণ চুঘ, কংগ্ৰেছৰ অজয় মাকেন, তৃণমূল কংগ্ৰেছৰ ডেৰেক অ'ব্ৰাইন, শিৱসেনা (ইউবিটি)-ৰ সঞ্জয় ৰাউত, আম আদমি পাৰ্টীৰ সঞ্জয় সিং, আৰজেডিৰ সঞ্জয় যাদৱ আৰু ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগৰ হৰিশ বীৰান অন্যতম। লোকসভাৰ সদস্যসকলৰ ভিতৰত কাকলি ঘোষ, অনিল যশৱন্ত দেশাই, আশিস ডুবে, সতীশ কুমাৰ গৌতম, নবীন জিন্দাল, সৌমিত্ৰ খান, জ্যোতিৰ্ময় সিং মাহাতো, বি ৰাই ৰাঘৱেন্দ্ৰ, বিষ্ণুদয়াল ৰাম, ডেলকাৰ, জয়প্ৰকাশ, মহম্মদ হামদুল্লা ছাইদ, প্ৰিয়ংকা গান্ধী, অমৰিন্দৰ সিং ৰাজা ৰাৰিং, কেচিনেনী শিৱনাথ, কৃষ্ণপ্ৰসাদ টেনেটি, সুপ্ৰিয়া ছুলে আৰু থিৰু দয়ানিধি মাৰান অন্যতম। উল্লেখ্য যে সংসদৰ দুয়োঘৰ সদনৰ বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগৰ কাম-কাজ পৰ্যালোচনাৰ বাবে মুঠ ২৪খন সংসদীয় স্থায়ী সমিতি আছে। ইয়াৰে গৃহ পৰিক্ৰমা সম্পৰ্কীয় সমিতিকে ধৰি আঠখন সমিতি ৰাজ্যসভাৰ অধ্যক্ষৰ নিৰ্দেশনা আৰু নিয়ন্ত্ৰণত কাম কৰে। বাকী ১৬খন স্থায়ী সমিতি লোকসভাৰ অধ্যক্ষৰ নিৰ্দেশনা অনুসৰি কাম কৰে।

চচলত বানত সৰ্বস্বান্ত উজনি

কার্যসূচীত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ পৰা অহা বানপীড়িত লোকসকলে অংশগ্ৰহণ কৰি চৰকাৰৰ তাৎক্ষণিক হস্তক্ষেপৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, চলিত বানপানীৰ বিভীষিকা পাৰ হৈ তিনি মাহতকৈ অধিক সময় অতিবাহিত হোৱাৰ পিছতো বহু ক্ষতিগ্ৰস্ত পৰিয়ালে পৰ্যাপ্ত চৰকাৰী সাহায্য লাভ কৰা নাই। বানৰ ফলত বহু পৰিয়ালৰ বাসগৃহ, কৃষিভূমি, শস্য আৰু অন্যান্য সম্পত্তিৰ বিস্তৰ ক্ষতি হয়। ইয়াৰ ফলত বহু পৰিয়ালৰ জীৱন-জীৱিকা ব্যাহত হোৱাৰ লগতে স্বাভাৰিক জীৱনলৈ ঘূৰি অহাটো কঠিন হৈ পৰিছে বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে। চচলৰ প্ৰতিবাদস্থলীত সমবেত হোৱা লোকসকলে বিভিন্ন শ্লগানেৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক তাৎক্ষণিক আৰ্থিক সাহায্য প্ৰদানৰ দাবী জনায়। বানত হোৱা ক্ষয়-ক্ষতিৰ চৰকাৰী মূল্যায়ন প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰি প্ৰকৃত ক্ষতিগ্ৰস্তসকলক চিনাক্ত কৰাৰ লগতে যোগ্য হিতাধিকাৰীক ক্ষতিপূৰণ প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনোৱা হয়। প্ৰতিবাদকাৰীসকলে কয় যে বানত ঘৰ-বাৰী আৰু কৃষিভূমিৰ ব্যাপক ক্ষতি হোৱাৰ ফলত বহু পৰিয়াল আৰ্থিকভাৱে জুৰুলা হৈছে। বিশেষকৈ কৃষিজীৱী পৰিয়ালসমূহে শস্য নষ্ট হোৱাৰ ফলত একে সময়তে জীৱিকা আৰু খাদ্য-নিৰাপত্তাৰ সংকটৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত চৰকাৰী সাহায্য লাভত পলম হোৱাটোৱে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ দুৰ্দশা অধিক বৃদ্ধি কৰিছে বুলি তেওঁলোকে অভিযোগ কৰে। প্ৰতিবাদত মহিলাই অংশগ্ৰহণো উল্লেখযোগ্য আছিল। কণমানি সন্তানক লগত লৈ বহু মহিলাই চচলত উপস্থিত হৈ বানৰ পিছত পৰিয়ালসমূহে সন্মুখীন হোৱা সমস্যাৰ কথা প্ৰকাশ কৰে। তেওঁলোকৰ অভিযোগ, বানৰ পিছত দীৰ্ঘদিন ধৰি কঠিন পৰিস্থিতিৰ মাজত জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে যদিও সাহায্য আৰু ক্ষতিপূৰণৰ ক্ষেত্ৰত এতিয়াও আশানুৰূপ অগ্ৰগতি হোৱা নাই। এই প্ৰতিবাদী কাৰ্যসূচীত বিধায়ক অখিল গগৈ, কুংকি চৌধুৰী আৰু জ্ঞানশ্ৰী ৰবাৰ লগতে চিজেপিৰ তিনিগৰাকী কেন্দ্ৰীয় নেতায়ো অংশগ্ৰহণ কৰে। নেতাসকলে বানপীড়িত লোকসকলৰ দাবীসমূহৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰি ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু সাহায্য বিতৰণৰ কাম ক্ষিপ্ৰ কৰাৰ আহ্বান জনায়। বানত ঘৰ, কৃষিভূমি, শস্য আৰু অন্যান্য সম্পত্তি হেৰুওৱা পৰিয়ালসমূহে যাতে কোনো ধৰণৰ পলম নোহোৱাকৈ চৰকাৰী সাহায্য আৰু উপযুক্ত ক্ষতিপূৰণ লাভ কৰে, সেইটো নিশ্চিত কৰাৰ দাবী উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে।

ৰেষ্ট গুৱাহাটী কমার্চ কলেজত বিশিষ্ট কণ্ঠশিল্পী দ্বিপেন বৰুৱাক সম্বৰ্ধনা



দৈনন্দিন বার্তাৰ সেৱা, ২৩ ছেপ্টেম্বৰ ঃ ৰেষ্ট গুৱাহাটী কমার্চ কলেজত ২০২৬-২৭ শিক্ষাবৰ্ষৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই আজি এখন বৰ্ণাঢ্য নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। পুৱা কলেজ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বিপেন বেজবৰুৱাই। অধ্যক্ষৰ পৰিচালনাত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে 'আমাৰ অসম' কাকতৰ কাৰ্যবাহী সম্পাদক তথা গীতিকাৰ গৌতম শৰ্মা, সন্মানীয় অতিথি হিচাপে পৰিচালনা সমিতিৰ সভাপতি ড° জ্যোতিষ গোস্বামী আৰু উপাধ্যক্ষ ভৱানন্দ দত্ত উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সভাপতি ধীৰাজ ৰাজবংশীয়ে। সভাৰ আৰম্ভণিতে অধ্যক্ষ ড° দ্বিপেন বেজবৰুৱাই নৱাগতসকলক আদৰণি জনাই কয় যে মহাবিদ্যালয় কেৱল পাঠ্যপুথিৰ জ্ঞান আহৰণৰ স্থান নহয়, ই জীৱন গঢ়াৰো এক গুৰুত্বপূৰ্ণ শিক্ষা ক্ষেত্ৰ। জ্ঞানৰ লগতে শৃংখলা, অধ্যৱসায়, নৈতিকতা আৰু মানৱীয় মূল্যবোধক জীৱনৰ অবিচ্ছেদ্য অংগ কৰি তুলিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। মুখ্য অতিথি গৌতম শৰ্মাই বক্তব্যত নতুন প্ৰজন্মৰ সৃষ্টিশীল শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ অতীতৰ অসমৰ কৃষ্টি-সংস্কৃতিৰ বাটকটীয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, কলাগুৰু বিষ্ণু ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, সুধাকণ্ঠ ভূপেন হাজৰিকা, জুবিন গাৰ্গে অসমৰ সাংস্কৃতিক দিশত আগবঢ়োৱা বৰঙণিৰ উল্লেখ কৰি এক গৱেষণাধৰ্মী বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সন্মানীয় অতিথি ড° জ্যোতিষ গোস্বামীয়ে কয় যে নৱাগতসকলৰ বাবে মহাবিদ্যালয় জীৱন কেৱল এটা নতুন শ্ৰেণীকোঠাত প্ৰবেশ নহয়, ই জীৱনৰ এক নতুন অধ্যায়ৰ আৰম্ভণি। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল ভাবনাৰ সৈতে সংগতি ৰাখি জ্ঞানৰ লগতে দক্ষতা, উদ্যোগিতা, বিত্তীয় সাক্ষৰতা, সামাজিক দায়িত্ব, সাহিত্য-সংস্কৃতি আৰু মানৱীয় মূল্যবোধৰ সমন্বিত বিকাশৰ ওপৰত তেওঁ গুৰুত্ব আৰ